# **NSD NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 08-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতিৰ বাবে কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতক বিশ্বৰ ভিতৰতে জ্ঞান আৰু বাণিজ্যৰ অগ্ৰণী কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

৩। ভাৰত আৰু ইজৰাইলে নতুন দিল্লীত আজি দ্বিপাক্ষিক বিনিয়োগ চুক্তি স্বাক্ষৰ কৰে।

৪। বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি অসমৰ প্ৰান্তে প্ৰান্তে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ***আৰু***

৫। ভাৰতীয় হকী দলে মহিলাৰ এছিয়া কাপ ২০২৫ প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০

দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতিৰ বাবে কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। এন ডি এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই মিত্ৰজোটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীজন বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ ফলত এই নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতক বিশ্বৰ ভিতৰতে জ্ঞান আৰু বাণিজ্যৰ অগ্ৰণী কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি নতুন দিল্লীত অভিযান্ত্ৰিক ৰপ্তানি বিকাশ পৰিষদ ই ই পি চিৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানত দিয়া ভাষণত এনেদৰে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় অৰ্থনীতি আত্মনিৰ্ভৰ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ৰপ্তানিৰ ক্ষেত্ৰত উন্নয়ন সাধনৰ বাবে আহ্বান জনায়। তেওঁ লগতে কয়, যে দেশত উপলব্ধ অনন্য প্ৰতিভা তথা সামৰ্থসমূহৰ উপযুক্ত প্ৰয়োগেৰে বিশ্বৰ

বাণিজ্য ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰিব লাগিব। ৰাষ্ট্ৰপতিগৰাকীয়ে অভিযান্ত্ৰিক ৰপ্তানি বিকাশ পৰিষদৰ সকলো অংশীদাৰক ভাৰতক অন্যতম উদ্ভাৱন অৰ্থনীতিৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত সকলো ধৰণৰ প্ৰচেষ্টা হাতত ল'বলৈ আহ্বান জনায়। ০

০০০০

ভাৰত আৰু ইজৰাইলে নতুন দিল্লীত আজি দ্বিপাক্ষিক বিনিয়োগ চুক্তি স্বাক্ষৰ কৰে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু ইজৰাইলৰ বিত্তমন্ত্ৰী বেজালেল স্মট্ৰিছৰ মাজত এই চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ লক্ষ্য হৈছে অৰ্থনৈতিক সম্পৰ্ক বৃদ্ধি কৰাৰ লগতে ইজৰাইলৰ ৰপ্তানীকাৰকসকলৰ বাবে বিত্তীয় নীতি নিয়ম অন্বেষণ কৰা।

০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে ব্যৱসায়ীসকলে স্বদেশী উৎপাদনৰ ওপৰত গুৰুত্ব দিব লাগে বুলি জোৰ দি কয়। ইয়াৰ ফলত দেশৰ উন্নয়নত সহায়ক হোৱাৰ লগতে আৰ্থিক সুৰক্ষাও শক্তিশালী হ'ব বুলি তেওঁ কয়।

নতুন দিল্লীত আজি ভাৰতীয় অভিযান্ত্ৰিক ৰপ্তানি বিকাশ পৰিষদৰ ৫৬ সংখ্যক ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰীগোৱেলে কয় যে প্ৰত্যাহ্বানপূৰ্ণ গোলকীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততো ভাৰত এখন ৰাষ্ট্ৰ হিচাপে একত্ৰিত হৈ আছে। মন্ত্ৰীগৰাকীয়ে ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰি স্বদেশী সামগ্ৰী উৎপাদনৰ বাবে আহ্বান জনোৱাৰ কথাও স্মৰণ কৰে। শ্ৰীগোৱেলে কয় যে দেশৰ ১৪০ কোটি লোক আৰু ব্যৱসায়ীসকলে ভাৰতত নিৰ্মিত সামগ্ৰীৰ ওপৰত গুৰুত্ব দিব লাগে। তেওঁ জোৰ দি কয় যে দেশৰ শক্তি, বাণিজ্য তথা বাণিজ্যৰ মেৰুদণ্ড গঠন কৰা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া খণ্ডৰ ওপৰত নিৰ্ভৰশীল। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে জি এছ টিৰ হাৰ কৰ্তন আৰু সৰলীকৰণৰ জৰিয়তে প্ৰধানমন্ত্ৰী মোদীয়ে ঘৰুৱা চাহিদাক গুৰুত্ব প্ৰদান কৰিছে।

০০০০

কাঠমাণ্ডুৰ বানেশ্বৰত আজি জেন জি অৰ্থাৎ নৱপ্ৰজন্মৰ বিক্ষোভকাৰীসকলক নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে চলোৱা গুলীচালনাত ১৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০০ জনৰো অধিক লোক আহত হৈছে। প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলীয়ে আজি সন্ধিয়া কাঠমাণ্ডুত নিজৰ বাসগৃহত মন্ত্ৰী পৰিষদ আৰু ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ মাজত জৰুৰী বৈঠকৰ আহ্বান কৰিছে।

চৰকাৰে শেহতীয়াকৈ মুখ্য সামাজিক মাধ্যমৰ মঞ্চসমূহত নিষেধাজ্ঞা, আৰোপ কৰাৰ ফলত এই প্ৰতিবাদ তীব্ৰতৰ হৈ পৰে। নিৰাপত্তাৰক্ষীৰ লোকে প্ৰথমে কন্দুৱা গেছ, ৰাবাৰৰ গুলী ব্যৱহাৰ কৰি প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিয়াৰ চেষ্টা কৰে যদিও পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। প্ৰাথমিক তথ্য অনুসৰি মৃত্যু হোৱা লোকসকলৰ ভিতৰত ৫ জনৰ ট্ৰ'মা কেন্দ্ৰত, দুজনৰ অসামৰিক চিকিৎসালয়ত আৰু এখন লোকৰ কাঠমাণ্ডু চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। একাংশ ভুক্তভোগীৰ চিনাক্তকৰণ এতিয়াও হোৱা নাই। কাঠমাণ্ডু গিলা প্ৰশাসনে বানেশ্বৰ, টিনকুনে আৰু ৰাষ্ট্ৰপতিৰ কাৰ্যালয় আৰু সিংহদৰবাৰৰ দৰে ৰাজধানীৰ গুৰুত্বপূৰ্ণ অঞ্চলসমূহত দিনৰ চাৰে বাৰ বজাৰ পৰা নিশা ১০ বজালৈ সান্ধ্য আইন জাৰি কৰা হৈছে।

উল্লেখযোগ্য যে যোৱা ৪ চেপ্তেম্বৰৰ পৰা ফেচবুক, ইনষ্টাগ্ৰাম, এক্স, ইউটিউব আদি পঞ্জীয়নভুক্ত নোহোৱা মুখ্য সামাজিক মাধ্যমৰ মঞ্চসমূহৰ ওপৰত দেশজুৰি বলবৎ কৰা নিষেধাজ্ঞাৰ ফলতেই এই প্ৰতিবাদ আৰম্ভ হৈছিল।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে বিজ্ঞান প্ৰশাসকসকলৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমীয়ে প্ৰস্তুত কৰি উলিওৱা এটা বিশেষ সাতদিনীয়া আৱাসীক প্ৰশাসনিক প্ৰশিক্ষণ কাৰ্যসূচীৰ কথা ঘোষণা কৰিছে। শ্ৰীসিঙে এই পদক্ষেপক অতিকৈ প্ৰয়োজনীয় আৰু প্ৰভাৱশালী বুলি মন্তব্য কৰি এই প্ৰশিক্ষণ কাৰ্যসূচী অসামৰিক সেৱাৰ প্ৰশিক্ষণ প্ৰণালীৰ সৈতে সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা হৈছে বুলি জানিবলৈ দিয়ে। দেশৰ বৈজ্ঞানিক অগ্ৰগতিৰ বাবে মানৱ সম্পদৰ সামৰ্থ বৃদ্ধি অতিকৈ প্ৰয়োজনীয় উপাদান বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়। এই বিশেষ প্ৰশিক্ষণৰ জৰিয়তে বিজ্ঞান প্ৰশাসকসকলক বিকশিত ভাৰত নিৰ্মাণৰ দিশত ভৱিষ্যতে নেতৃত্ব লব পৰাকৈ সাজু কৰি তোলা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

০০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি অসমৰ প্ৰান্তে প্ৰান্তে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গীতেৰে সমাজত মানৱতা আৰু সমন্বয়ৰ বাৰ্তা বিলাই বিশ্বৰ বুকুত উজ্বল নিদৰ্শন ৰাখি যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি  অসমবাসীয়ে ৰাজ্যৰ অঞ্চলে অঞ্চলে শ্ৰদ্ধা জ্ঞাপন কৰিছে। তদুপৰি দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশতো শিল্পীগৰাকীৰ সোঁৱৰণত অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখাই বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝাই **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটিৰ সিংহলী আৰু তামিল সংস্কৰণ মুকলি কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অহা ১৩ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ৰাজ্যবাসীয়ে পুনৰ সুধাকণ্ঠলৈ শ্ৰদ্ধা নিবেদন কৰিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা এটা বিশেষ মুদ্ৰা উন্মোচন কৰিব বুলি জানিবলৈ দিয়ে। তদুপৰি বৰেণ্য শিল্পীগৰাকীৰ জীৱন সম্বলিত এখন গ্ৰন্থও প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অৰুণাচল প্ৰদেশ, মেঘালয়, মুম্বাই আৰু নতুন দিল্লীত ৰাজ্য চৰকাৰে অনুষ্ঠানৰ আয়োজন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নতুন দিল্লীৰ অসম ভৱনতো আজি সুধাকণ্ঠৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাৰ গাদ্দাৰ বনাঞ্চলত চলোৱা অভিযানত নিহত সন্ত্ৰাসবাদীৰ সংখ্যা ২ লৈ বৃদ্ধি পাইছে। সেনাৰ এগৰাকী মুখপাত্ৰই জনাইছে যে সেনা বাহিনীৰ এগৰাকী কণিষ্ঠ বিষয়াও এই অভিযানত আহত হৈছে। উন্নত চিকিৎসাৰ বাবে তেওঁক হস্পিতালত ভৰ্তি কৰোৱা হৈছে। ইয়াৰ পূৰ্বে সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্যৰ ভিত্তিত আজি পুৱা সেনা, চি আৰ পি এফ আৰু জম্মু কাশ্মীৰ আৰক্ষীয়ে গাদ্দাৰ বনাঞ্চল ঘেৰাও কৰি তালাচী অভিযান চলায়।

০০০০

ভাৰতীয় হকী দলে মহিলাৰ এছিয়া কাপ ২০২৫ প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। আজি ছিংগাপুৰত ১২ - ০ গলৰ বাৰধানত পৰাস্ত কৰাৰ পাছতে ভাৰত ছুপাৰ ফ'ৰলৈ আগবাঢ়ে। ভাৰতৰ হৈ নৱনীত আৰু মুমতাজে হেট্ৰিক গল কৰে। অহা ১০ ছেপ্তেম্বৰত ভাৰতে পুল-এৰ দ্বিতীয় স্থানত থকা দলটোৰ বিৰুদ্ধে ছুপাৰ ফ'ৰ পৰ্যায়ত অৱতীৰ্ণ হ'ব। ০

০০০০

পুৰুষৰ এছিয়া কাপ ২০২৫ ক্ৰিকেট প্ৰতিযোগিতা কাইলৈ আৰম্ভ হ'ব। ডুবাই আৰু আবু ধাবিত হ'বলগীয়া এইবাৰৰ প্ৰতিযোগিতাত ৮ খন দেশে অংশগ্ৰহণ কৰিছে। টি-২০ ফৰমেটত হ'বলগীয়া এই প্ৰতিযোগিতাত ভাৰতে পাকিস্তান, সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ওমানৰ লগত গ্ৰুপ-এত স্থান লাভ কৰিছে। গ্ৰুপ-বিত আছে শ্ৰীলংকা, বাংলাদেশ, আফগানিস্তান আৰু হংকং। কাইলৈ প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আফগানিস্তান হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে অহা ১০ ছেপ্তেম্বৰত নিজৰ প্ৰথমখন খেল সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব। সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বত খেলিবলগীয়া ভাৰতীয় দলটোৰ সদস্যসকল হৈছে শুভমন গীল, অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, জীতেশ শৰ্মা, অক্ষৰ পেটেল, যশপ্ৰীত বুমৰা, বৰুণ চক্ৰৱৰ্তী, অৰ্শ্বদীপ সিং, কুলদীপ যাদৱ, সঞ্জু চেমচন, হৰ্ষিত ৰাণা আৰু ৰিংকু সিং। ০

০০০০

সমাপ্ত